रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 8 ] NEW DELHI, MONDAY, DECEMBER 24, 2018 / 3 PAUSA, 1940 (Saka) [ VOL : 10
নং ৮ ] নতুন দিল্লী, সোমবাৰ, ডিচেম্বৰ ২৪, ২০১৮ / ৩ পুহ, ১৯৪০ (শক) [ খণ্ড ঃ ১০

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

ভৰণ-পোষণ আদেশ প্ৰৱৰ্তন অধিনিয়ম, ১৯২১ (১৯২১ ৰ ১৮)

৩১ জুলাই, ১৯৯৬ তাৰিখে যথাবিদ্যমান

# ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন অধিনিয়ম, ১৯২১

(১৯২১ৰ অধিনিয়ম সংখ্যা ১৮)

## ধাৰাসমূহৰ ক্ৰম


| ধাৰাসমূহ | পৃষ্ঠা |
| --- | --- |
| ১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ | ১ |
| ২। পৰিভাষা | ১ |
| ৩। পাৰস্পৰিক ব্যৱস্থাৰ ঘোষণা | ২ |
| ৪। পাৰস্পৰিক ৰাজ্যক্ষেত্ৰত কৰা ভৰণ-পোষণ আদেশ ভাৰতত পঞ্জীভুক্ত কৰা | ২ |
| ৫। ভাৰতত দিয়া ভৰণ-পোষণ আদেশৰ প্ৰেৰণ | ২ |
| ৬। পাৰস্পৰিক ৰাজ্যক্ষেত্ৰত বাস কৰা ব্যক্তিসকলৰ বিৰুদ্ধে সাময়িক ভৰণ-পোষণ আদেশ কৰিবলৈ সংক্ষিপ্ত ন্যায়ালয়ৰ ক্ষমতা | ২ |
| ৭। ভাৰতৰ বাহিৰত ভৰণ-পোষণ আদেশ দৃঢ় কৰিবলৈ সংক্ষিপ্ত অধিকাৰিতা থকা ন্যায়ালয়ৰ ক্ষমতা | ৩ |
| ৮। ভৰণ-পোষণ আদেশৰ বলবৎকৰণ | ৪ |
| ৯। ভৰণ-পোষণ ৰূপে অধিনিৰ্ণীত ধনৰাশি প্ৰেৰণৰ বাবে প্ৰভাৰ আৰু আন খৰচ আৰু প্ৰভাৰৰ আদায় | ৪ |
| ১০। ন্যায়ালয়ৰ পদাধিকাৰীৰ দ্বাৰা স্বাক্ষৰিত দস্তাবেজৰ প্ৰমাণ | ৪ |
| ১১। অভিসাক্ষ্যবোৰ সাক্ষ্য হ'ব | ৪ |
| ১২। নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা | ৪ |

# ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন অধিনিয়ম, ১৯২১

## (১৯২১ৰ অধিনিয়ম সংখ্যা ১৮)

[৫ অক্টোবৰ, ১৯২১]

**[১] [ পাৰস্পৰিক ৰাজ্যক্ষেত্ৰ,] [২][x x x] আৰু বিপৰীতত [৩][[৪]x x x] প্ৰণীত ভৰণ-পোষণৰ আদেশ, [৫][ভাৰত]ত বলবৎকৰণ সুচল কৰিবলৈ এখনি অধিনিয়ম।**

যিহেতু [১][ পাৰস্পৰিক ৰাজ্যক্ষেত্ৰ,] [২][x x x] আৰু বিপৰীতত প্ৰণীত ভৰণ-পোষণৰ আদেশ [৫][ ভাৰত] ত বলবৎকৰণ সুচল কৰিবলৈ এইটো সমীচীন হয় ; ইয়াক ইয়াৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওঁক ঃ—

সংক্ষিপ্ত নাম আৰু বিস্তাৰ। ১। (১) এই অধিনিয়মখন ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন অধিনিয়ম, ১৯২১ বুলি অভিহিত হ'ব।

[৬] [(২) ই [৭][জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ ব্যতিৰেকে] সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত হয়।]

পৰিভাষা। ২। এই অধিনিয়মত যি পৰ্যন্ত বিষয় বা প্ৰসঙ্গত কোনো বিৰুদ্ধ কথা নাথাকে,

''সংক্ষিপ্ত অধিকাৰিতাৰ ন্যায়ালয়'' মানে মুখ্য প্ৰেছিডেন্সি দণ্ডাধীশ বা জিলা দণ্ডাধীশৰ ন্যায়ালয় ;

'আশ্ৰিত'' মানে এজন ব্যক্তিৰূপে এনে ব্যক্তি যাৰ বিৰুদ্ধে ভৰণ-পোষণৰ আদেশ কৰা হয়, [৮][পাৰস্পৰিক ৰাজ্য ক্ষেত্ৰ]ত য'ত ভৰণ-পোষণৰ আদেশ কৰা হয়, সেই ঠাইত বলবৎ থকা বিধি অনুসৰি ভৰণ-পোষণ কৰিবলৈ দায়ী হয় ;

[৯][''ভাৰত'' মানে জম্মু আৰু কাশ্মীৰ ৰাজ্যক বৰ্হিভূত কৰি ভাৰতৰ ৰাজ্যক্ষেত্ৰ ;]

''ভৰণ-পোষণৰ আদেশ'' মানে ন্যায়ালয়ৰ দ্বাৰা চিভিল বা দাণ্ডিক অধিকাৰিতাৰ প্ৰয়োগত যিজন ব্যক্তিৰ বিৰুদ্ধে ভৰণ-পোষণৰ আদেশ কৰা হয়; তেওঁৰ পৰিবাৰ বা আন আশ্ৰিতৰ ভৰণ-পোষণৰ প্ৰতি ধনৰাশিৰ সাময়িক আদায়কৰণৰ বাবে কৰা, সম্বন্ধীকৰণৰ এটা আদেশৰ ব্যতিৰেকে এটা ডিক্ৰী বা আদেশ ;

''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

---

১। ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন (সংশোধন) অধিনিয়ম, ১৯৫২ৰ ধাৰা ২ ৰ দ্বাৰা প্ৰতিস্থাপিত।
২। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা লোপ কৰা হৈছে।
৩। ''আন ভাগ সমূহত''ৰ বাবে অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা প্ৰতিস্থাপিত।
৪। ''ভাগ- খ ৰাজ্যসমূহ বা'' শব্দটো ১৯৫১ৰ অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা লোপ কৰা হৈছে।
৫। ''ভাগ-ক ৰাজ্য আৰু ভাগ-গ ৰাজ্য'' ৰ বাবে ভাগ-খ ৰাজ্য (বিধি) অধিনিয়ম, ১৯৫১ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিস্থাপিত।
৬। বিধি অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা প্ৰতিস্থাপিত।
৭। ভাগ-খ ৰাজ্য (বিধি) অধিনিয়ম, ১৯৫১ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিস্থাপিত।
৮। ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন (সংশোধন) অধিনিয়ম, ১৯৫২ৰ ধাৰা ৩ ৰ দ্বাৰা প্ৰতিস্থাপিত।
৯। ভাগ- খ ৰাজ্যসমূহৰ (বিধি) অধিনিয়ম, ১৯৫১ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

## ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন অধিনিয়ম, ১৯২১

''সমুচিত 'প্ৰাধিকাৰী'' মানে দস্তাবেজ, যিবোৰলৈ এই অধিনিয়মত প্ৰয়োগ কৰা হয়, সেইবোৰ প্ৰাপ্ত আৰু প্ৰেৰণ কৰিবলৈ পাৰস্পৰিক ৰাজ্যক্ষেত্ৰৰ দ্বাৰা বা তাৰ অধীনত নিযুক্ত প্ৰাধিকাৰী ; আৰু

[১][''পাৰস্পৰিক ৰাজ্যক্ষেত্ৰ'' মানে ভাৰতৰ বাহিৰৰ কোনো দেশ বা ৰাজ্যক্ষেত্ৰ, যাৰ ক্ষেত্ৰত, এই অধিনিয়মৰ ধাৰা ৩ৰ অধীনত এটা ঘোষণাৰ ফলত তৎকালীন প্ৰয়োগ হয় ।]

[২][x x x x x]

**পাৰস্পৰিক ব্যৱস্থাৰ ঘোষণা ।**

৩ । [৩][যদি কেন্দ্ৰীয় চৰকাৰ সন্তুষ্ট হয় যে সেই দেশ বা ৰাজ্যক্ষেত্ৰৰ ভিতৰত ভাৰতত ন্যায়ালয়ৰ দ্বাৰা দিয়া ভৰণ-পোষণ আদেশৰ বলবৎকৰণৰ কাৰণে ভাৰতৰ বাহিৰৰ কোনো দেশ বা ৰাজ্যক্ষেত্ৰত বিধিক উপবন্ধবোৰ বিদ্যমান হয় [৪] কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ঘোষণা কৰিব যে [৪] এই অধিনিয়ম সেই দেশ বা ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত প্ৰয়োগ হ'ব আৰু তাৰ পাচত ই তদনুসাৰে প্ৰযোজ্য হ'ব ।]

**পাৰস্পৰিক ৰাজ্যক্ষেত্ৰত কৰা ভৰণ-পোষণৰ আদেশ ভাৰতত পঞ্জীভুক্ত কৰা ।**

৪ । (১) য'ত, এটা ভৰণ-পোষণৰ আদেশ, এই অধিনিয়ম পাৰিত হোৱাৰ পূৰ্ব্বেই হওঁক বা পাচতেই হওঁক, কোনো পাৰস্পৰিক ৰাজ্যক্ষেত্ৰত কোনো ন্যায়ালয়ৰ দ্বাৰা, কোনো ব্যক্তিৰ বিৰুদ্ধে দিয়া হয়, আৰু আদেশটোৰ এটা প্ৰমাণিত প্ৰতিলিপি, সেই ৰাজ্যক্ষেত্ৰৰ এজন সমুচিত প্ৰাধিকাৰীৰ দ্বাৰা, [৫] কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হয়, [৫] কেন্দ্ৰীয় চৰকাৰে পঞ্জীয়নৰ বাবে আদেশৰ এটা প্ৰতিলিপি [৬] ভাৰতৰ কোনো ন্যায়ালয়ৰ বিহিত পদাধিকাৰীলৈ পঠিয়াব আৰু ইয়াৰ প্ৰাপ্তিত আদেশটো বিহিত ৰীতিত পঞ্জীভুক্ত কৰা হ'ব ।

(২) এখন ন্যায়ালয়ত য'ত এটা আদেশ পূৰ্ব্বোক্ত দৰে এনেদৰে পঞ্জীভুক্ত কৰা হয়, যদি ন্যায়ালয়ৰ দ্বাৰা আদেশ দিয়া হয়, [৭]কেন্দ্ৰীয় চৰকাৰৰ মতত বৰিষ্ঠ অধিকাৰিতাৰ কোনো ন্যায়ালয় এখন উচ্চ ন্যায়ালয় হ'ব, আৰু যদি ন্যায়ালয়, [৮] ইয়াৰ মতত বৰিষ্ঠ অধিকাৰিতাৰ কোনো ন্যায়ালয় নহয় তেন্তে সংক্ষিপ্ত অধিকাৰিতাৰ কোনো ন্যায়ালয় হ'ব ।

**ভাৰতত দিয়া ভৰণ-পোষণ আদেশৰ প্ৰেৰণ ।**

৫ । য'ত [৯] ভাৰতত থকা কোনো ন্যায়ালয়ে এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্ব্বেই হওঁক বা পাচতেই হওঁক কোনো ব্যক্তিৰ বিৰুদ্ধে কোনো ভৰণ-পোষণৰ আদেশ কৰিছিল, আৰু সেই ন্যায়ালয়লৈ এইটো প্ৰমাণিত হৈছে যে এনে ব্যক্তি, যাৰ বিৰুদ্ধে আদেশটো কৰা হৈছিল, তেওঁ পাৰস্পৰিক ৰাজ্যক্ষেত্ৰৰ বাসিন্দা হয়, ন্যায়ালয়ে আদেশটোৰ এটা প্ৰমাণিত প্ৰতিলিপি সেই ৰাজ্যক্ষেত্ৰৰ সমুচিত প্ৰাধিকাৰীলৈ প্ৰেৰণৰ বাবে [১০]কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াব ।

**পাৰস্পৰিক ৰাজ্যক্ষেত্ৰত বাস কৰা ব্যক্তি সকলৰ বিৰুদ্ধে সাময়িক ভৰণ-পোষণ আদেশ কৰিবলৈ সংক্ষিপ্ত ন্যায়ালয়ৰ ক্ষমতা ।**

৬ । (১) য'ত কোনো আবেদন, কোনো ব্যক্তিৰ বিৰুদ্ধে এটা ভৰণ-পোষণ আদেশৰ বাবে [৯] ভাৰতত সংক্ষিপ্ত অধিকাৰিতাৰ কোনো ন্যায়ালয়লৈ কৰা হয়, আৰু এইটো প্ৰমাণিত হয় যে সেই ব্যক্তিজন কোনো পাৰস্পৰিক ৰাজ্যক্ষেত্ৰৰ বাসিন্দা হয়, ন্যায়ালয়ে, সেই ব্যক্তিৰ অনুপস্থিতিত, যদি সাক্ষ্য শুনাৰ পাচত ই, আবেদনৰ ন্যায়ত সন্তুষ্ট হয়, কোনো এনে আদেশ কৰিব যি দৰে এইটো কৰা উচিত যদি সেই ব্যক্তিজনে ইচ্ছাকৃতভাবে ন্যায়ালয়ত উপস্থিত হবলৈ অৱহেলা কৰে, কিন্তু এনে ক্ষেত্ৰত আদেশটো কেৱল সাময়িক হ'ব আৰু কোনো প্ৰভাৱ নাথাকিব যদিহে আৰু যেতিয়ালৈকে এনে ৰাজ্যক্ষেত্ৰত কোনো সমুচিত ন্যায়ালয়ৰ দ্বাৰা দৃঢ় কৰা নহয় ।

(২) প্ৰত্যেক সাক্ষীৰ সাক্ষ্য যাক এনে কোনো আবেদনৰ ওপৰত পৰীক্ষা কৰা হয়, লেখবদ্ধ কৰা হ'ব, আৰু এনে অভিসাক্ষ্য পঢ়া হ'ব আৰু তেওঁৰ হস্তাক্ষৰ কৰা হ'ব ।

---

১ । ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন (সংশোধন) অধিনিয়ম, ১৯৫২ৰ ধাৰা ৩ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
২ । ভাগ-খ ৰাজ্য (বিধি) অধিনিয়ম, ১৯৫১ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা লোপ কৰা হৈছে ।
৩ । ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন (সংশোধন) অধিনিয়ম, ১৯৫২ৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৪ । এনে ঘোষণাৰ বাবে সাধাৰণ পৰিনিয়ত নিয়মাৱলী আৰু আদেশ চাওঁক ।
৫ । বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৬ । ভাগ-খ ৰাজ্যসমূহ (বিধি) অধিনিয়ম, ১৯৫১ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৭ । বিধি অনুকূলন আদেশ, ১৯৩৭ৰ ''গৰ্ভনৰ জেনেৰেল'' শব্দৰ স্থানত প্ৰতিষ্ঠাপিত ।
৮ । একে আদেশৰ দ্বাৰা 'তেওঁৰ' শব্দৰ স্থানত প্ৰতিষ্ঠাপিত ।
৯ । ভাগ-খ ৰাজ্যসমূহ (বিধি) অধিনিয়ম, ১৯৫১ ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
১০ । বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা ''স-পৰিষদ গৰ্ভনৰ জেনেৰেল'' শব্দসমূহ প্ৰতিষ্ঠাপিত ।

## ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন অধিনিয়ম, ১৯২১

(৩) য'ত এনে কোনো আদেশ দিয়া হয়, ন্যায়ালয়ে পাৰস্পৰিক ৰাজ্যক্ষেত্ৰৰ সমুচিত প্ৰাধিকাৰীলৈ প্ৰেৰণ কৰাৰ বাবে [1][কেন্দ্ৰীয় চৰকাৰ] লৈ পঠিয়াব য'ত কোনো ব্যক্তি, যাৰ বিৰুদ্ধে আদেশ কৰা হৈছে বা কৰিবলৈ অভিকথিত হয় এনেদৰে লোৱা অভিসাক্ষ্য আৰু বিবৃতিসহ আদেশৰ এটা প্ৰমাণিত প্ৰতিলিপি যাৰ আধাৰত আদেশটো কৰাত আপত্তি হ'লহেতেঁন, যদি সেই ব্যক্তি, যাৰ বিৰুদ্ধে আদেশটো কৰা হৈছিল এখন চমনসহ সম্যকভাৱে জাৰি কৰা হৈছিল আৰু শুনানীত উপস্থিত আছিল আৰু এনে সূচনা যিদৰে সেই ব্যক্তিৰ চিনাক্তকৰণত সূচল কৰাৰ বাবে আৰু তেওঁৰ ঠিকনাৰ বিষয়ে অভিনিশ্চিত কৰি অভিযুক্ত কৰা হয়।

(৪) য'ত কোনো এনে সাময়িক আদেশ, দৃঢ়কৰণৰ বাবে কোনো পাৰস্পৰিক ৰাজ্যক্ষেত্ৰত কোনো ন্যায়ালয়লৈ আহে আৰু আদেশটো সেই ন্যায়ালয়ৰ দ্বাৰা সংক্ষিপ্ত অধিকাৰিতা থকা ন্যায়ালয়লৈ প্ৰেৰণ কৰা হয়, যিয়ে অতিৰিক্ত সাক্ষ্য লোৱাৰ প্ৰয়োজনাৰ্থে আদেশ দিয়ে, সেই ন্যায়ালয়ে, বিহিত জাননী দিয়াৰ পাচত, সদৃশ ৰীতিত সাক্ষ্য লবলৈ অগ্ৰসৰ হ'ব আৰু মূল আবেদনৰ সমৰ্থনত সাক্ষ্যৰূপে সদৃশ চৰ্ত্তাৱলীৰ সাপেক্ষে হ'ব।

(৫) যদি এনে সাক্ষ্য শুনানীত ন্যায়ালয়ত এইটো প্ৰতীত হয় যে আদেশটো কৰা উচিত হোৱা নাই, ন্যায়ালয়ে আদেশটো ৰদ্ কৰিব পাৰে কিন্তু আন কোনো গোচৰত অভিসাক্ষ্য [2][কেন্দ্ৰীয় চৰকাৰ] লৈ পঠিওঁৱা হ'ব আৰু মূল অভিসাক্ষ্য ৰূপে সদৃশ ৰীতিত সংব্যৱহৃত কৰা হ'ব।

(৬) এই ধাৰাৰ অধীনত কৰা কোনো আদেশৰ দৃঢ়কৰণে, সেই আদেশ পৰিৱৰ্ত্তন বা ৰদ্ কৰিবলৈ কোনো সংক্ষিপ্ত অধিকাৰিতা থকা ন্যায়ালয়ৰ কোনো ক্ষমতাক প্ৰভাৱী নকৰিব ঃ

পৰন্তু কোনো আদেশৰ পৰিৱৰ্ত্তন বা বাতিলকৰণত ন্যায়ালয়ে, ইয়াৰ এটা প্ৰমাণিত প্ৰতিলিপি পাৰস্পৰিক ৰাজ্যক্ষেত্ৰৰ সমুচিত প্ৰাধিকাৰীলৈ প্ৰেৰণৰ বাবে [2][কেন্দ্ৰীয় চৰকাৰ] লৈ পঠিয়াব য'ত মূল আদেশটো দৃঢ় কৰা হৈছিল বা যিটোলৈ এইটো দৃঢ়কৰণৰ বাবে পঠিওৱা হৈছিল আৰু আদেশটো পৰিৱৰ্ত্তন কৰা কোনো আদেশৰ ক্ষেত্ৰত, আদেশটোৰ কোনো প্ৰভাৱ নাথাকিব, যদিহে আৰু যেতিয়ালৈকে আৰু মূল আদেশ ৰূপে, সদৃশ ৰীতিত দৃঢ়কৰণ নহয়।

*ভাৰতৰ বাহিৰত ভৰণ-পোষণৰ আদেশ দৃঢ় কৰিবলৈ সংক্ষিপ্ত অধিকাৰিতা থকা ন্যায়ালয়ৰ ক্ষমতা।*

৭। (১) য'ত কোনো ন্যায়ালয়ৰ দ্বাৰা কোনো পাৰস্পৰিক ৰাজ্যক্ষেত্ৰত এটা ভৰণ-পোষণৰ আদেশ কৰা হয় আৰু য'ত আদেশটো কেৱল সাময়িক হয় আৰু প্ৰভাৱ নাথাকে যদিহে আৰু যেতিয়ালৈকে [3][ভাৰত]ত সংক্ষিপ্ত অধিকাৰিতা থকা এখন ন্যায়ালয়ৰ দ্বাৰা দৃঢ় কৰা নহয়, আৰু সাক্ষীসকলৰ অভিসাক্ষী আৰু বিবৃতিসহ যিবোৰৰ আধাৰত আদেশটো আপত্তিজনক হ'লহেতেঁন, [2][কেন্দ্ৰীয় চৰকাৰ] লৈ প্ৰেৰণ কৰা হ'ব, আৰু এইটো [2][কেন্দ্ৰীয় চৰকাৰ]ৰ প্ৰতীত হয় যে, ব্যক্তি, যিজনৰ বিৰুদ্ধে আদেশটো কৰা হৈছে, [3][ভাৰত]ৰ বাসিন্দা হয়, [1][কেন্দ্ৰীয় চৰকাৰে,] সংক্ষিপ্ত অধিকাৰিতাৰ কোনো ন্যায়ালয়ৰ বিহিত প্ৰাধিকাৰীলৈ উক্ত দস্তাৱেজসমূহ অধিগ্ৰহণসহ পঠিয়াব, যে আদেশটো কিয় দৃঢ় নহব কাৰণ দৰ্শাবলৈ ব্যক্তিজনক আহ্বান কৰি কোনো চমন জাৰি কৰিব আৰু এনে দস্তাৱেজ আৰু অধিগ্ৰহণৰ প্ৰাপ্তিত ন্যায়ালয়ে এনে চমন জাৰি কৰিব আৰু এইটো এনে ব্যক্তিৰ ওপৰত জাৰি কৰিবলৈ ইয়াক কাৰিত কৰিব।

(২) উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা এখন চমন সকলো প্ৰয়োজনৰ বাবে ইয়াৰ মূল দাণ্ডিক অধিকাৰিতাৰ প্ৰয়োগত ন্যায়ালয়ৰ দ্বাৰা জাৰি কৰা এখন চমন বুলি গণ্য হ'ব।

(৩) শুনানীত, এইটো ব্যক্তিলৈ মুকলি থাকিব, যিজনলৈ কোনো প্ৰতিবাদ উত্থাপন কৰিবলৈ চমন জাৰি কৰা হৈছিল, যিটো তেওঁ মূল কাৰ্য্যবাহীত উত্থাপন কৰিলেহেঁতেন, যদি তেওঁ তাত এটা পক্ষ হ'লহেঁতেন কিন্তু কোনো প্ৰতিৰক্ষা নোহোৱাকৈ আৰু ন্যায়ালয়ৰ পৰা পোৱা প্ৰমাণপত্ৰ, যিয়ে কাৰণ বৰ্ণনা কৰি, সাময়িক আদেশ দিয়ে যি কাৰণৰ ওপৰত আদেশ কৰাত আপত্তি কৰা হৈছে যদি এনে ব্যক্তি, যাৰ বিৰুদ্ধে আদেশটো কৰা হৈছিল, কাৰ্যবাহীত কোনো পক্ষ আছিল, তাত এইটো নিশ্চায়ক সাক্ষ্য হব যে কাৰণবোৰ, এনে কাৰণ হয়, যিবোৰৰ ওপৰত আপত্তি লব পাৰে।

(৪) যদি শুনানীত চমন জাৰি কৰা ব্যক্তিজনে হাজিৰ নহয় বা হাজিৰ হোৱাত আদেশটো দৃঢ় কৰা উচিত নহয় বুলি ন্যায়ালয়ক সন্তুষ্ট কৰিবলৈ অসফল হয়, ন্যায়ালয়ে, [3][ভাৰত]ত সম্প্ৰতি বলবৎ থকা কোনো বিধিৰ দ্বাৰা ইয়াৰ ক্ষমতাৰ ওপৰত আৰোপিত কোনো আৰ্থিক সীমা থকা সত্ত্বেও, সাক্ষ্য শুনাৰ পাচত, পৰিৱৰ্তন নকৰাকৈয়ে বা পৰিৱৰ্তনসহ আদেশটো দৃঢ় কৰিব পাৰে যেনেদৰে ন্যায়ালয়ৰ ন্যায়সঙ্গত বোধ হয় ঃ

---

১। বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা "স-পৰিষদ গৱৰ্ণৰ জেনেৰেল" শব্দৰ স্থানত প্ৰতিস্থাপিত।

২। বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা "গৱৰ্ণৰ জেনেৰেল" শব্দ সমূহৰ স্থানত প্ৰতিস্থাপিত।

৩। "ৰাজ্যসমূহৰ"ৰ বাবে ভাগ-খ ৰাজ্যসমূহ (বিধি) অধিনিয়ম, ১৯৫১ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিস্থাপিত।

পৰন্তু কোনো ধনৰাশি, এই ধাৰাৰ অধীনত, সাময়িক আদেশত প্ৰস্তাৱ কৰাতকৈ অধিক হোৱা এটা হাৰত ভৰণ-পোষণ ৰূপে অধিনিৰ্ণীত কৰা নহ'ব বা এনেদৰে উদ্ধাৰযোগ্য নহ'ব।

(৫) যদি ব্যক্তিজন, যিজনলৈ চমন জাৰি কৰা হৈছিল শুনানীত হাজিৰ হয় আৰু ন্যায়ালয়ক সন্তুষ্ট কৰে যে প্ৰতিৰক্ষাৰ প্ৰয়োজনৰ বাবে ন্যায়ালয়লৈ গোচৰটো প্ৰেৰণ কৰাটো আৱশ্যক হয়, ন্যায়ালয়ে কোনো অতিৰিক্ত সাক্ষ্য লোৱাৰ বাবে সাময়িক আদেশ কৰিছিল, তাত ন্যায়ালয়ে সেই প্ৰয়োজনৰ বাবে পাৰস্পৰিক ৰাজ্যক্ষেত্ৰৰ সমুচিত প্ৰাধিকাৰীৰ যোগেদি সেই ন্যায়ালয়লৈ প্ৰেৰণৰ বাবে [১][কেন্দ্ৰীয় চৰকাৰ] লৈ অভিলেখৰ এখন প্ৰমাণিত প্ৰতিলিপি পঠিয়াব, আৰু কাৰ্য্যবাহী স্থগিত ৰাখিব পাৰে।

(৬) য'ত এই ধাৰাৰ অধীনত কোনো সাময়িক আদেশ দৃঢ় কৰা হৈছে, এইটো সদৃশ ৰীতিত পৰিৱৰ্ত্তন বা ৰদ্ কৰিব পাৰে যেনিবা এইটো আৰম্ভণিতে দৃঢ়কৰণ ন্যায়ালয়ৰ দ্বাৰা কৰা হৈছে আৰু য'ত ৰদ্‌কৰণ বা পৰিৱৰ্ত্তনৰ বাবে আবেদনৰ ওপৰত ন্যায়ালয় সন্তুষ্ট হয় যে, গোচৰটো ন্যায়ালয়লৈ প্ৰেৰণ কৰাটো আৱশ্যক হয়, যি ন্যায়ালয়ে কোনো অতিৰিক্ত সাক্ষ্য লোৱাৰ প্ৰয়োজনাৰ্থে সাময়িক আদেশ দিছিল, সেই ন্যায়ালয়ে সেই প্ৰয়োজনৰ বাবে পাৰস্পৰিক ৰাজ্যক্ষেত্ৰৰ সমুচিত প্ৰাধিকাৰীৰ যোগেদি সেই ন্যায়ালয়লৈ প্ৰেৰণৰ বাবে [১][কেন্দ্ৰীয় চৰকাৰ]লৈ অভিলেখৰ প্ৰমাণিত প্ৰতিলিপি পঠিয়াব আৰু কাৰ্য্যবাহী স্থগিত কৰিব পাৰে।

**ভৰণ-পোষণ আদেশৰ বলবৎকৰণ।** ৮। (১) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, য'ত এটা আদেশ এই অধিনিয়মৰ অধীনত এখন উচ্চ ন্যায়ালয়ত পঞ্জীভুক্ত কৰা হৈছে, আদেশটো, এনে পঞ্জীয়নৰ তাৰিখৰ পৰা, সদৃশ ৰূপত বলবৎ থাকিব আৰু প্ৰভাৱী হ'ব, আৰু তাৰ ওপৰত সকলো কাৰ্য্যবাহী লোৱা হ'ব যেনিবা এইটো ইয়াৰ চিভিল অধিকাৰিতাত উচ্চ ন্যায়ালয়ত বা এই মৰ্ম্মে উচ্চ ন্যায়ালয়ৰ দ্বাৰা নাম দিব পৰা সেই উচ্চ ন্যায়ালয়ৰ অধীনস্থ এনে কোনো চিভিল ন্যায়ালয়ত আৰম্ভণিতে লাভ কৰা এটা আদেশহে আছিল, আৰু সেই ন্যায়ালয়ৰ তদনুসাৰে আদেশ বলবৎ কৰিবলৈ ক্ষমতা থাকিব।

(২) সংক্ষিপ্ত অধিকাৰিতাৰ এখন ন্যায়ালয় য'ত এই অধিনিয়মৰ অধীনত এটা আদেশ পঞ্জীভুক্ত কৰা হৈছিল বা যাৰ দ্বাৰা এটা আদেশ এই অধিনিয়মৰ অধীনত দৃঢ় কৰা হৈছিল আৰু এনে ন্যায়ালয়ৰ পদাধিকাৰীসকলৰ বিহিত কৰা ধৰণে, আদেশটো বলবৎ কৰাৰ প্ৰয়োজনাৰ্থে এনে ক্ষমতা থাকিব আৰু এনে কৰ্ত্তব্যসমূহ সম্পাদন কৰিব।

**ভৰণ-পোষণ ৰূপে অধিনিৰ্ণীত ধনৰাশি প্ৰেৰণৰ বাবে প্ৰভাৰ আৰু আন খৰচ আৰু প্ৰভাৰৰ আদায়।** ৯। এই অধিনিয়মৰ উপবন্ধৰ অনুসৰণত ভৰণ-পোষণৰ এটা আদেশ পঞ্জীভুক্ত কৰা আৰু দৃঢ়কৰণ কৰাত কোনো ন্যায়ালয়ে নিৰ্দ্দেশ দিব যে ন্যায়ালয়লৈ প্ৰেৰণৰ বাবে হোৱা খৰচ য'ৰ পৰা আদেশটো পোৱা হৈছিল বা যিটোত সাময়িক আদেশটো কৰা হৈছিল, যথাস্থিতি, ভৰণ-পোষণ ৰূপে অধিনিৰ্ণীত ধনৰাশি ব্যক্তিৰ দ্বাৰা যাৰ বিৰুদ্ধে আদেশটো এনেদৰে কৰা হৈছিল বা দৃঢ় কৰা হৈছিল, ধাৰিত কৰা হ'ব আৰু ভৰণ-পোষণ ৰূপে দিয়া ধনৰাশিৰ ওপৰিও অতিৰিক্ত ধনৰাশি আৰু সদৃশ ৰীতিত এনে আন ব্যয় আৰু প্ৰভাৰ তেওঁৰ পৰা আদায় কৰা হ'ব যিদৰে ন্যায়ালয়ৰ দ্বাৰা অধিনিৰ্ণীত বা উদ্গ্ৰহীত কৰা হয়।

**ন্যায়ালয়ৰ পদাধিকাৰীৰ দ্বাৰা স্বাক্ষৰিত দস্তাবেজৰ প্ৰমাণ।** ১০। এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে [২] [ভাৰত]ৰ বাহিৰত এখন ন্যায়ালয়ৰ এজন ন্যায়াধীশ বা পদাধিকাৰীৰ দ্বাৰা স্বাক্ষৰিত বুলি তাৎপৰ্যিত কোনো দস্তাবেজ, প্ৰতিকূল প্ৰমাণ নকৰালৈকে ইয়াক স্বাক্ষৰিত কৰিবলগীয়া উপস্থিত থকা ব্যক্তিৰ ন্যায়িক বা শাসকীয় চৰিত্ৰ স্বাক্ষৰৰ প্ৰমাণ বিনা এনেদৰে স্বাক্ষৰিত কৰা হৈছে বুলি গণ্য কৰা হ'ব আৰু কোনো ন্যায়ালয়ৰ পদাধিকাৰী যাৰ দ্বাৰা এখন দস্তাবেজ স্বাক্ষৰিত কৰা হয়, প্ৰতিকূল প্ৰমাণিত নকৰালৈকে তেওঁক দস্তাবেজ স্বাক্ষৰিত কৰা ন্যায়ালয়ৰ সমুচিত পদাধিকাৰী বুলি গণ্য কৰা হ'ব।

**অভিসাক্ষ্যবোৰ সাক্ষ্য হ'ব।** ১১। এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, কোনো পাৰস্পৰিক ৰাজ্যক্ষেত্ৰত এখন ন্যায়ালয়ত লোৱা অভিসাক্ষ্যবোৰক, এই অধিনিয়মৰ অধীনৰ কোনো সংক্ষিপ্ত অধিকাৰিতাৰ ন্যায়ালয়ত কাৰ্য্যবাহীত সাক্ষ্য গ্ৰহণ কৰিব পাৰে।

**নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা।** ১২। [৩][(১)] [১][কেন্দ্ৰীয় চৰকাৰে] [৪][চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰয়োজনবোৰক প্ৰভাৱী কৰাৰ প্ৰয়োজনাৰ্থে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে] আৰু বিশেষতঃ এই অধিনিয়মৰ অধীনত কৰা কোনো কাৰ্য্যৰ ব্যয় বা প্ৰভাৰ উদ্গ্ৰহণৰ বাবে আৰু বিহিত কৰিবলৈ নিৰ্দ্দেশিত বা অনুমতি প্ৰাপ্ত সকলো বিষয়ৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

---

১। বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা "স-পৰিষদ গৰ্ভনৰ জেনেৰেল" শব্দৰ স্থানত প্ৰতিষ্ঠাপিত।

২। ভাগ খ-ৰাজ্য সমূহ (বিধি) অধিনিয়ম, ১৯৫১ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩। প্ৰত্যায়োজিত বিধান (সংশোধন) অধিনিয়ম, ১৯৮৩ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা সেই ধাৰাৰ উপ-ধাৰা (১)ৰ দৰে পুনঃ সংখ্যাঙ্কিত কৰা হৈছে (১৫-৩-১৯৮৪ পৰা প্ৰভাৱী হোৱাকৈ)

৪। ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন নিয়ম, ১৯৫৫ চাওঁক।

## ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন অধিনিয়ম, ১৯২১

[১][(২) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিৱেশন চলি থকা সময়ত এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব, আৰু যদিহে উপৰোক্ত অধিৱেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিৱেশন বা ক্ৰমাগত অধিৱেশনসমূহৰ অৱসানৰ পূৰ্ব্বে উভয় সদনে নিয়মত কোনো সাল-সলনি কৰিবলৈ সম্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত নিয়মটো কেৱল এনে সাল-সলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাৱী নহ'ব ; সেয়ে হলেও এনে সাল-সলনি বা ৰদ্‌কৰণ, সেই নিয়মৰ অধীনত পূৰ্ব্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব ।]

---

১। প্ৰত্যাযোজিত বিধান (সংশোধন) অধিনিয়ম, ১৯৮৩ ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা সেই ধাৰাৰ উপ-ধাৰা ১ৰ দৰে পুনঃ সংখ্যাঙ্কিত কৰা হৈছে (১৫-৩-১৯৮৪ৰ প্ৰভাৱী হোৱাকৈ)।

ৰাষ্ট্ৰপতিয়ে ভৰণ-পোষণ আদেশ প্ৰৱৰ্ত্তন অধিনিয়ম, ১৯২১ (১৯২১ৰ অধিনিয়ম সংখ্যা ১৮)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০) ।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Maintenance Orders Enforcement Act, 1921 ( Act No. 18 of 1921) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

G. NARAYANA RAJU,
Secretary to the Govt. of India.

New Delhi
Date :

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ২৪-১২-১৮